**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-11-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

***----------------------***

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা আজি কিছু সময়ৰ পাছতে আৰম্ভ হ'ব। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিৰ মুঠ ৬৮ খন ভোটগণনা মেজত ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ উপৰিও ডাকযোগে অহা বেলট কাকতসমূহ গণনাৰ বাবেও এই ৫টা সমষ্টিত মুঠ ৯ খন মেজত ভোটগণনা কৰা হ'ব। নিৰ্বাচন বিভাগৰ সূত্ৰই জনোৱা অনুসৰি আজি পুৱা প্ৰথমে ডাকযোগে অহা বেলট কাকতসমূহৰ গণনা কৰা হ'ব। তাৰ পাছত ৮৫ বছৰ ঊৰ্ধৰ ভোটদাতাসকলে বেলট কাকতত দিয়া ভোটসমূহ গণনা কৰা হ'ব। দুপৰীয়াৰ ভাগত ভোটগণনাৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে।

ভোটগণনাৰ বাবে প্ৰায় তিনিশ পঞ্চাছ গৰাকী কৰ্মচাৰীক নিযুক্ত কৰা হৈছে। ভোটগণনা কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে আৰু ভোটগণনা কেন্দ্ৰসমূহত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে ভোটগণনাৰ ফলাফল প্ৰাৰ্থী আৰু সংবাদ মাধ্যমক জনোৱাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই সমষ্টিকেইটাত যোৱা ১৩ নৱেম্বৰত অনুষ্ঠিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণত সামগ্ৰিকভাৱে প্ৰায় ৭৬ শতাংশ ভোটাদাতাই ভোটদান কৰিছিল।

ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰো আজি ভোটগণনা কৰা হ'ব।

০০০০০০

ভূমি ৰাজহ প্ৰশাসনৰ দক্ষতা বৃদ্ধি, স্বচ্ছতা আৰু মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ নগৰকেন্দ্ৰিক সেৱাৰ প্ৰসাৰৰ লক্ষ্যৰে কালি যোৰহাট চাওলুং চুকাফা সমন্বয় ক্ষেত্ৰত উজনি অসমৰ ৭ খন জিলাৰ মাণ্ডলিক  পৰ্যায়ত এখন কৰ্মশালা অনুষ্ঠিত হয়। যোৰহাট জিলা আয়ুক্তই  আদৰণি ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠানটিত তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট, মাজুলী আৰু গোলাঘাট জিলাৰ জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, সমজিলা আয়ুক্ত, চক্ৰ বিষয়া প্ৰমুখ্যে, ভূমি আৰু ৰাজহৰ লগত জড়িত ভূমিলেখ্য পৰ্যবেক্ষক, ভূমিলেখ্য সহায়কসকল উপস্থিত থাকে। কৰ্মশালাত ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া নজৰুল ইছলাম, অসম চৰকাৰৰ ভূমি ৰেকৰ্ড আৰু জৰীপ বিভাগৰ সচিব, অতিৰিক্ত ভূমিলেখ্য সঞ্চালক, অসম জৰীপৰ অতিৰিক্ত সঞ্চালক, অসম জৰীপ আৰু বন্দোবস্তি প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষকে আদি কৰি যোৰহাট জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত উপস্থিত থাকে। কৰ্মশালাত   মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ সেৱাসমূহ, ভূমি অধিগ্ৰহণ, ই-খাজানা ইত্যাদি সন্দৰ্ভত বিশদ আলোচনা আগবঢ়োৱা হয়।

ইফালে, যোৰহাট পৌৰ সভাৰ অন্তৰ্গত বিভিন্ন ঠাইত নগৰখনৰ সৌন্দৰ্য অটুত ৰখাৰ বাবে কালি নিশা ছাফাই অভিযান চলোৱা হয় বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় পৰিষদে ২০২৫ চনত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ বাবে অহা ২৫ নৱেম্বৰত প'ৰ্টেল পুনৰ মুকলি কৰিব। সেই অনুসৰি প্ৰ-পত্ৰ পূৰণৰ বাকী থকা সকলো কাম ২৬ নৱেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পৰিষদে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহক আহ্বান জনাইছে। একেদৰে মাচুল আদায়ৰ অন্তিম তাৰিখ ২৭ নৱেম্বৰ নিৰ্ধাৰণ কৰা হৈছে। প্ৰ-পত্ৰ পূৰণৰ দিন পৰৱৰ্তী সময়ত আৰু বৃদ্ধি কৰা নহয় বুলি পৰিষদে স্পষ্টভাৱে জনাইছে। লগতে অফলাইনত কোনোধৰণৰ প্ৰ-পত্ৰ গ্ৰহণ কৰা নহয় বুলি প্ৰকাশ কৰিছে।

০০০০০০

অসমৰ ৫ গৰাকীকে ধৰি দেশৰ মুঠ ৮২ গৰাকী শিল্পীক কালি ২০২২-২৩ বৰ্ষৰ ওস্তাদ বিছমিল্লা খাঁ যুৱ বঁটা প্ৰদান কৰা হয়। নতুন দিল্লীৰ ড০ আম্বেদকাৰ আন্তৰ্ৰাষ্ট্ৰীয় কেন্দ্ৰত আয়োজিত বৰ্ণাঢ্য কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি বিভাগৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে শিল্পীসকলক এই বঁটা প্ৰদান কৰে। এই বঁটা লাভ কৰা অসমৰ শিল্পীসকল হ'ল ঃ নৃত্য শিল্পী দিম্পী বৈশ্য আৰু মুকুন্দ শইকীয়া বৰবায়ন, মুকাভিনয় শিল্পী মুকুন্দ নাথ, পুতুলা শিল্পী বিনীতা দেৱী আৰু কথক নৃত্য শিল্পী মেঘৰঞ্জনী মেধি। এই বঁটাত শিল্পীসকলক মানপত্ৰ আৰু অংগবস্ত্ৰৰ লগতে ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। বঁটা গ্ৰহণৰ পাছত শিল্পীসকলে মঞ্চত নিজা নিজা শিল্পও প্ৰদৰ্শন কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ'ত থকা আলোচকসকলৰ সৈতে যুক্ত হ'ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন  এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০

শিৱসাগৰ ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰ পৰা পিয়লি ফুকন ষ্টেডিয়ামত শিৱসাগৰ ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাত আমগুৰি ফুটবল ক'চিং চেণ্টাৰ, শিৱসাগৰ শিশু ফুটবল ক'চিং, শিৱসাগৰ ফুটবল ক্লাব, গোহাঁইবাৰী ফুটবল ক'চিং আদিকে ধৰি দহটা দলে অংশগ্ৰহণ কৰিব।

০০০০০০

সমাপ্ত